NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

২। বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে।

৩। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কৈছে যে, প্ৰধানমন্ত্ৰীৰ স্ব-নিধি আঁচনি আৰম্ভ কৰাৰে পৰা পদপথৰ ব্যৱসায় সকলৰ মাজত প্ৰায় ৮ হাজাৰ ৬০০ কোটি টকাৰ ঋণ বিতৰণ কৰা হৈছে।

৪। বিদেশ সচিব বিক্ৰম মিস্ৰী আৰু ভূটানৰ বিদেশ সচিব অ'ওম পেমা ছ'ডেনে আজি থিম্ফুত তৃতীয় ভাৰত-ভূটান উন্নয়ন সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰে।

*আৰু*

৫। থাইলেণ্ডে আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ২২ ৰানত পৰাস্ত কৰে।

০০০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন সোমবাৰে আৰম্ভ হ'ব আৰু মঙলবাৰে বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল। চৰকাৰে বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই অনাগত সময়ত দ্বিপাক্ষিক সহযোগিতাক নতুন শিখৰলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। দুয়ো পক্ষৰ মাজৰ শেহতীয়া যোগাযোগৰ ফলত সৃষ্টি হোৱা গতিৰ বিষয়ে আলোকপাত কৰি তেওঁলোকে বিভিন্ন ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা অধিক আগবঢ়াই নিয়াৰ বাবে সহমত প্ৰকাশ কৰে। এই ক্ষেত্ৰসমূহ হৈছে- বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা, পশুপালন, ফাৰ্মাচিউটিকেল, শিক্ষা, মহাকাশ আদি। প্ৰধানমন্ত্ৰী মোদীয়ে নিউজিলেণ্ডত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ স্বাৰ্থৰ প্ৰতি গুৰুত্ব আৰোপ

কৰাৰ বাবে শ্ৰী লাক্সনক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰী লাক্সনেও ভাৰতীয় লোকসকলক যতন তথা সুৰক্ষাৰ বাবে তেওঁৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবে আশ্বাস প্ৰদান কৰে।

০০০০০০০০

বাংলাদেশৰ হিংসাত্মক প্ৰতিবাদৰ বাবে প্ৰায় এহেজাৰ ভাৰতীয় শিক্ষাৰ্থী স্বদেশলৈ উভতি আহিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, ৭৭৮ গৰাকী ভাৰতীয় বিদ্যাৰ্থীয়ে স্থল পথেৰে ভাৰতলৈ ঘূৰি আহিছে। ইয়াৰ উপৰি প্ৰায় ২০০ গৰাকী শিক্ষাৰ্থী ঢাকা আৰু চট্টগ্ৰাম বন্দৰৰ পৰা নিয়মীয়া বিমান সেৱাৰে স্বদেশলৈ ওভতি আহিছে। মন্ত্ৰালয়ে কৈছে যে, ঢাকাত থকা ভাৰতীয় উচ্চায়োগ আৰু  চট্টগ্ৰাম, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়োগসমূহে ভাৰতীয় নাগৰিকসকলক স্বদেশলৈ উভতি অহাত সহায় কৰি আছে। স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগসমূহে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বিভিন্ন প্ৰৱেশ পথেৰে নিৰাপদ যাত্ৰা সুগম কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি বিদেশ মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে লগতে অসামৰিক বিমান পৰিবহন, আব্ৰজন, বন্দৰ আৰু সীমা সুৰক্ষা বাহিনীৰ বিষয়াসকলৰ সৈতে সমন্বয়েৰে কাম কৰি আছে। ঢাকাত থকা ভাৰতীয় উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগ সমূহে বাংলাদেশৰ বিভিন্ন বিদ্যালয়ত অধ্যয়নৰত বাকী চাৰি হাজাৰৰো অধিক শিক্ষাৰ্থীৰ সৈতে নিয়মীয়াভাৱে যোগাযোগ ৰক্ষা কৰি আছে আৰু প্ৰয়োজনীয় সাহায্য প্ৰদান কৰি আছে। নেপাল আৰু ভূটানৰ ছাত্ৰ-ছাত্ৰীসকলকো ভাৰতত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা  হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। উচ্চায়োগ আৰু সহকাৰী উচ্চায়োগসমূহে ভাৰতীয় নাগৰিক আৰু শিক্ষাৰ্থীসকলক সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বাংলাদেশ কৰ্তৃপক্ষসমূহৰ সৈতে নিয়মীয়াভাৱে যোগাযোগ ৰক্ষা কৰি আছে।

০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কৈছে যে, প্ৰধানমন্ত্ৰীৰ স্ব-নিধি আঁচনি আৰম্ভ কৰাৰে পৰা পদপথৰ ব্যৱসায়ীসকলৰ মাজত প্ৰায় ৮ হাজাৰ ৬০০ কোটি টকাৰ ঋণ বিতৰণ কৰা হৈছে। নতুন দিল্লীত আজি ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধীকৰণে আয়োজন কৰা পদপথৰ খাদ্য ব্যৱসায়ীসকলৰ প্ৰশিক্ষণ আৰু সজাগতা অনুষ্ঠানত পদপথৰ খাদ্য ব্যৱসায়ীসকলৰ বাবে খাদ্য সুৰক্ষা প'ৰ্টেল আৰু নাতি-নীৰ্দেশনা মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশিক্ষণ আৰু দক্ষতাৰ বিকাশৰ জৰিয়তে প্ৰতিগৰাকী ব্যক্তিক সবল কৰি তোলাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। অনাময়, উন্নত মান আৰু সঠিক আৱৰ্জনা ব্যৱস্থাপনাৰে ব্যৱসায়ীসকলে অধিক উপভোক্তাক আকৰ্ষণ কৰিব পাৰে বুলি শ্ৰী নাড্ডাই মন্তব্য কৰে।

০০০০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰী আৰু ভূটানৰ বিদেশ সচিব অ'ওম পেমা ছ'ডেনে আজি থিম্ফুত তৃতীয় ভাৰত-ভূটান উন্নয়ন সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰে। বৈঠকৰ সময়ছোৱাত ভূটানৰ পক্ষই Project Tied Assistance- PTA প্ৰস্তাৱ দাঙি ধৰাৰ লগতে  ত্ৰয়োদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত ৰূপায়ণ হ'বলগীয়া পি টি এ প্ৰকল্পসমূহৰ প্ৰথমটো শাখাৰ বিষয়ে প্ৰকাশ কৰে। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি দুয়োপক্ষই বিভিন্ন খণ্ডৰ চাৰি হাজাৰ ৯৫৮ কোটি টকাৰ মুঠ ৬১টা প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পসমূহ আন্তঃগাঁঠনি, শক্তি, দক্ষতা বিকাশ, শিক্ষা, স্বাস্থ্য, সাংস্কৃতিক ঐতিহ্য, যোগ্যতা বৃদ্ধি, ক্ৰীড়া, ডিজিটেল অৰ্থনীতি আৰু মহাকাশ প্ৰযুক্ত আদি খণ্ডৰ। ইয়াৰ উপৰি বিদেশ সচিবদ্বয়ে দুয়োদেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক

শক্তিশালী কৰা, বাণিজ্য আৰু বিনিয়োগ তথা শক্তি আদি খণ্ডকে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ সকলোবোৰ দিশ সামৰি বিতংভাৱে আলোচনা কৰে।

চলিত বৰ্ষৰ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূটান ভ্ৰমণৰ সময়ছোৱাত শ্ৰী মোদীয়ে ভূটানৰ ত্ৰয়োদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাৰ বাবে ভাৰত চৰকাৰৰ হৈ ১০ হাজাৰ কোটি টকাৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছিল। বিদেশ সচিব বিক্ৰম মিস্ৰী দুদিনীয়া চৰকাৰী ভূটান ভ্ৰমণসূচীৰ আজি সামৰণি পৰিছে। বিদেশ সচিব হিচাপে মিস্ৰীৰ এয়া আছিল প্ৰথমটো বিদেশ ভ্ৰমণ।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্মশ্ৰী সন্মানেৰে সন্মানিত কমলা পূজাৰীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে, কমলা পূজাৰীয়ে কৃষি খণ্ডক বিশেষকৈ জৈৱিক কৃষি পদ্ধতিক উদগনি জগোৱাৰ লগতে থলুৱা বীজসমূহ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। শ্ৰী মোদীয়ে কয় যে, স্থিৰতা সমৃদ্ধ কৰণৰ লগতে জৈৱ বৈচিত্ৰতা সংৰক্ষণৰ ক্ষেত্ৰত কমলা পূজাৰীৰ কৰ্মৰাজী সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁ কয় যে, কমলা পূজাৰী জনজাতি সম্প্ৰদায়ৰ সৱলীকৰণৰো এগৰাকী হোতা আছিল।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ঝাৰখণ্ডৰ হেমন্ত চোৰেন নেতৃত্বাধীন চৰকাৰ দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত চৰকাৰ বুলি অভিযোগ উত্থাপন কৰিছে। ৰাঁচীত প্ৰভাতকাৰা ময়দানত ঝাৰখণ্ড বিজেপিৰ সম্প্ৰসাৰিত কাৰ্যকাৰী কমিটিৰ বৈঠকত ভাষণ দি শ্ৰী শ্বাহে কয় যে, ঝাৰখণ্ডৰ এগৰাকী সাংসদৰ ঘৰৰ পৰা ৩০০ কোটি টকা আৰু ৰাজ্যখনৰ এগৰাকী মন্ত্ৰীৰ ব্যক্তিগত সহায়কৰ ওচৰৰ পৰা ৩০ কোটি টকা জব্দ কৰা হৈছে। তেওঁ কয় যে, বাংলাদেশৰ পৰা হোৱা অনুপ্ৰৱেশৰ বাবে ৰাজ্যখনৰ জনগাঁঠনি সলনি হৈছে। চোৰেন চৰকাৰে অনুপ্ৰৱেশৰ বিষয় লৈ অকণো গুৰুত্ব দিয়া নাই আৰু ইয়াক ভোট বেংক হিচাপে গণ্য কৰিছে বুলি শ্ৰী শ্বাহে অভিযোগ তোলে।

শ্ৰী শ্বাহে ৰাঁচীত দলৰ ৰাজ্যিক মূল গোটৰ এখন বৈঠকত অংশ লয়। বৈঠকত দলৰ সাংসদ-বিধায়কৰ লগতে কেন্দ্ৰীয় কৃষি মন্ত্ৰী তথা  ঝাৰখণ্ডৰ নিৰ্বাচনৰ দায়িত্বত থকা দলৰ নেতা শিৱৰাজ সিং চৌহান উপস্থিত থাকে। নিৰ্বাচনৰ সহ-প্ৰভাৰী হিমন্ত বিশ্ব শৰ্মায়ো বৈঠকত ভাগ লয়।

ঝাৰখণ্ড বিজেপিৰ মুখপাত্ৰ বাবুলাল মাৰান্দীয়ে কয় যে, বৈঠকত শ্ৰী শ্বাহে সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত দল আৰু এন ডি এ মিত্ৰজোঁটৰ প্ৰদৰ্শনৰ পৰ্যালোচনা কৰে। ৰাজ্যখনত এই বছৰৰ শেষৰফালে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছে।

০০০০০০০০

থাইলেণ্ডে আজি বিয়লি শ্ৰীলংকাৰ ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ২২ ৰানত পৰাস্ত কৰে। মালয়েছিয়াই ১৩৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে থাইলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰে।

ইপিনে একেখন ষ্টেডিয়ামতে অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত বাংলাদেশ আয়োজক দেশ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত বাংলাদেশে টছত জিকি আমালৈ বাতৰি অহাৰ পৰলৈকে ১ অভাৰত দুটা উইকেট হেৰুৱাই ৬ ৰান সংগ্ৰহ কৰি খেলি আছে।

oooooooo

সমাপ্ত